দৈনিক অগ্ৰদূত ২২/

### এন আৰ চি সেৱা কেন্দ্ৰত কৰ্মচাৰীৰ অনিয়মীয়া উপস্থিতি

# ৰাইজে লণ্ডভণ্ড কৰিলে পঞ্চায়তৰ কাৰ্যালয়

অগ্ৰদূত বাৰ্তা

**জুৰীয়া, ২১ জুলাই ঃ** জুৰীয়া আৰক্ষী থানাৰ অন্তৰ্গত এন আৰ চি সেৱা কেন্দ্ৰত বিষয়া-কৰ্মচাৰীৰ অনুপস্থিতিত ক্ষুব্ধ হৈ একাংশ ৰাইজে আজি বিয়লি লংকাকাণ্ড সংঘটিত কৰে। ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ প্ৰপত্ৰ জমা দিয়াৰ অন্তিম দিন চমু চাপি অহাৰ সময়তো বহু লোকে এয়া দাখিল কৰিব পৰা নাই। সেয়েহে বিভিন্ন স্থানত এন আৰ চি সেৱা কেন্দ্ৰত নিয়োজিত বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধে ক্ৰমশঃ ক্ষোভ বৃদ্ধি পাবলৈ ধৰিছে ভুক্তভোগী সাধাৰণ জনতাৰ। এই কেইদিন সদায়ে হৈ অহাৰ দৰে আজি প্ৰপত্ৰ জমা দিবলৈ জুৰীয়াৰ মেলেকাধিং গাঁও পঞ্চায়তৰ সেৱা কেন্দ্ৰত পুৱাৰে পৰা শাৰী পাতি থকা ৰাইজে দুপৰীয়ালৈকে কোনো বিষয়া-কৰ্মচাৰীৰ উপস্থিতি নেদেখি ক্ষুণ্ণ হৈ পৰে। ধৈৰ্যৰ সীমা চেৰাই যোৱাত এটা সময়ত ক্ষুব্ধ ৰাইজে মেলেকাধিং গাঁও পঞ্চায়তৰ কাৰ্যালয়টোকে ভাঙি লণ্ডভণ্ড কৰে। ৰাজহুৱাকৈয়ে উত্থাপিত অভিযোগ অনুসৰি পঞ্চায়তখনৰ সচিবজনক আজিলৈকে ৰাইজে দেখাই নাই। ফলত যথেষ্ট সমস্যাৰ সৃষ্টি হৈছে। এই বিষয়ে ৰাজ্য চৰকাৰৰ নিৰ্দিষ্ট বিভাগক বাৰম্বাৰ অভিযোগ দিয়াৰ পাছতো আজিলৈ কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। আজি আৰক্ষীয়ে উপস্থিত হৈহে উত্তেজিত ৰাইজক নিয়ন্ত্ৰণ কৰে। উল্লেখ্য যে কালি তেলিয়া বেবেজীয়া গাঁও পঞ্চায়তৰ সেৱা কেন্দ্ৰটো কৰ্মচাৰীৰ অনুপস্থিতিৰ বাবে উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছিল। এই পৰ্যন্ত প্ৰপত্ৰ জমা দিব নোৱৰাত এই বৃহত্তৰ অঞ্চলটোৰ ৰাইজ ভিতৰি উত্তেজিত হৈ থকাৰ পাছতো সেৱা কেন্দ্ৰসমূহত নিয়োজিত কৰ্মচাৰীসকলৰ অনিয়মীয়া উপস্থিতিয়ে ইয়াত আইন-শৃংখলাৰ অৱনতি ঘটাবো সম্ভাৱনা প্ৰকট কৰি তুলিছে।